# গৌহাটী উচ্চ ন্যায়ালয়

(মহামান্য মুখ্য ন্যায়াধীশ এ কে গোৱেল আৰু মহামান্য ন্যায়াধীশ এন কোটিশ্বৰ সিং-ৰ আদালতত)

সুনীল সূত্ৰধৰ আৰু অন্যান্য... আবেদনকাৰী;

বনাম

অসম চৰকাৰ আৰু অন্যান্য ... প্ৰতিপক্ষ।

২০০৮ চনৰ লেখ আবেদন নং ৮৯

ৰায় প্ৰদানৰ তাৰিখ: ২০১৩ চনৰ ৪ জানুৱাৰী

**অসম বন বিনিয়ম, ১৮৯১, ৩(৪) ধাৰা- বনজ সামগ্ৰী- খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে কাঠৰ ফ্ৰেম বিনিয়মৰ ৩(৪) ধাৰাৰ অৰ্থৰ ভিতৰত বনজ সামগ্ৰী নেকি – ধৰা হৈছিল নেকি : নহয়।**

জব্দ কৰা কাঠৰ সামগ্ৰীসমূহ কেৱল ৰূপান্তৰিত কাঠৰ টুকুৰা বা গছৰ মুঢ়া নাছিল বৰঞ্চ ৰূপান্তৰিত কাঠ আছিল যিবোৰ পৰৱৰ্তী সময়ত একত্ৰিত কৰাৰ বাবে খিৰিকী আৰু ভেণ্টিলেটৰৰ ফ্ৰেমৰ আকৃতি পাইছিল আৰু

বাণিজ্যিকভাবে এক সুকীয়া ৰূপ পাইছিল। অৰ্থাৎ জব্দ কৰা সামগ্ৰী যিবোৰ নতুন অতিৰিক্ত বৈশিষ্ট্যৰ সৈতে নতুন সুকীয়া সামগ্ৰীলৈ ৰূপান্তৰিত হয়, সেইবোৰ কেৱল 'ৰূপান্তৰিত কাঠ' নহয় আৰু সেইবোৰ সেয়েহে 'বনজ সামগ্ৰী' হিচাপে গণ্য কৰিব নোৱাৰি।

[দফা ৯]

আমি মত পোষণ কৰো যে খিৰিকী আৰু ভেণ্টিলেটৰৰ জব্দ কৰা কাঠৰ ফ্ৰেম, যিবোৰ প্ৰথম অৱস্থাত হয়তো ৰূপান্তৰিত কাঠ হ'ব পাৰে, কিন্তু যিহেতু মানৱ শ্ৰমৰ প্ৰয়োগৰ দ্বাৰা সেইবোৰে এক সুকীয়া আকৃতি আৰু চৰিত্ৰৰে সম্বলিত হৈ বাণিজ্যিক পৰিচয় লাভ কৰে, গতিকে সেইবোৰ অসম বন বিনিয়ম, ১৮৯১ৰ ৩(৪)(ক) ধাৰাৰ অধীনত সংজ্ঞায়িত 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ অধীনত সামৰি লোৱা নহ'ব ।

(দফা ১০)

গোচৰটোৰ অধিবক্তাসমূহ:

এন চৌধুৰী ডাঙৰীয়া- আপীলকাৰীসকলৰ হৈ।

বি.জে.তালুকদাৰ ডাঙৰীয়া- প্ৰতিপক্ষৰ হৈ।

উল্লেখ কৰা গোচৰসমূহ: কালক্ৰমিকভাবে

সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭।

ফাতেছাং গীষা ভাছাভা বনাম গুজৰাট চৰকাৰ, এআইআৰ ১৯৮৭ গুজ. ১.

## **ৰায় আৰু আদেশ**

**মহামান্য ন্যায়াধীশ এন কোটিশ্বৰ সিং**: এই লেখ আবেদনৰ উত্থাপিত প্ৰসঙ্গটো হ'ল যে খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে কাঠৰ ফ্ৰেম অসম বন বিনিয়ম, ১৮৯১ৰ ৩(৪) ধাৰাৰ অধীনত বনজ সামগ্ৰী নেকি, যিটো বিজ্ঞ এজনীয়া বিচাৰপিঠে ২০০৮ চনৰ লেখ আবেদন (দেৱানী) নং ১৮৫৩তত প্ৰদান কৰা ১.২.২০০৮ তাৰিখৰ ৰায় আৰু আদেশত হয় বুলি কৈছে আৰু যিটো বৰ্তমানৰ কাৰ্য্যবিধিত প্ৰত্যাহ্বান জনোৱা হৈছে।

২) বৰ্তমানৰ গোচৰটোৰ পটভূমিত প্ৰাসংগিক তথ্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি:

২৯.১২.২০০৫ তাৰিখে ডুমুনিচৌকী বন পৰীক্ষণ চকিৰ বন কৰ্মচাৰীয়ে এএছ-১২বি-৯৭৩২ নম্বৰৰ পঞ্জীয়ন নম্বৰৰ এখন ট্ৰাক আটক কৰে, যিখন ট্ৰাক ভেণ্টিলেটৰ, খিৰিকী আৰু ডাইনিং-টেবুলৰ কাঠৰ ফ্ৰেম লৈ গুৱাহাটী অভিমুখে আহিছিল। উক্ত কাঠৰ ফ্ৰেমসমূহ বন কৰ্মচাৰীসকলে জব্দ কৰে এই ভিত্তিত যে সেইবোৰ আছিল এএফআৰৰ ৩(৪) ধাৰাৰ অৰ্থৰ পৰিসৰৰ ভিতৰত 'বনজ সামগ্ৰী' আৰু এইবোৰ প্ৰয়োজনীয় পৰিবহণ অনুজ্ঞাপত্ৰ অবিহনে সৰবৰাহ কৰা হৈছিল।

৩/ সেই অনুসৰি এটা বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। কৰ্তৃত্বপ্ৰাপ্ত বন বিষয়াই এই সিদ্ধান্তত উপনীত হয় যে কাঠৰে নিৰ্মিত উক্ত সামগ্ৰীসমূহ "বনজ সামগ্ৰী", যাৰ সৰবৰাহৰ ক্ষেত্ৰত ৪.৫.২০০২ তাৰিখৰ চৰকাৰী অধিসূচনা অনুসৰি পৰিবহন অনুজ্ঞা প্ৰয়োজনীয় আৰু সেই অনুজ্ঞাপত্ৰ উক্ত সামগ্ৰী সৰবৰাহ কৰাৰ সময়ত লাভ কৰা হোৱা নাছিল। সেয়েহে যিখন

বাহনত উক্ত কাঠেৰে নিৰ্মিত সামগ্ৰী সৰবৰাহ কৰা হৈছিল, সেই বাহনখন ৪.১২.২০০৬ তাৰিখে কৰ্তৃত্বপ্ৰাপ্ত বন বিষয়াই গৃহীত কৰা আদেশ অনুসৰি বাজেয়াপ্ত কৰা হৈছিল। কৰ্তৃত্বপ্ৰাপ্ত বন বিষয়াৰ দ্বাৰা বাজেয়াপ্ত কৰাৰ পূৰ্বতে উল্লেখ কৰা সিদ্ধান্তৰ বিপৰীতে, অসম বন বিনিয়ম, ১৮৯১ৰ ৪৯ গ ধাৰাৰ অধীনত থকা বিধি অনুসৰি এই আপীলকাৰীসকলে, বিদ্বান সত্ৰ ন্যায়াধীশৰ আদালতত ফৌজদাৰী আপীল নং ৩৫(ডি-৪) দাখিল কৰে আৰু বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙে ২৮.০৩.২০০৭ ৰ আদেশ মতে উক্ত আপীলক অনুমতি দিয়ে আৰু ৪.১২.২০০৬ তাৰিখৰ বাজেয়াপ্ত কৰাৰ আদেশ খাৰিজ কৰি গাড়ীখনৰ মালিকক মুকলি কৰি দিয়াৰ নিৰ্দেশ দিয়ে। বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙৰ সিদ্ধান্তত অসন্তুষ্ট হৈ, অনুমোদিত বন বিষয়াই এই আদালতত লেখ আবেদন দাখিল কৰিছিল যিখন ২০০৭ চনৰ লেখ আবেদন (দেৱানী) নং ১৮৫৩ হিচাপে পঞ্জীয়ন কৰা হৈছিল। এই লেখ আবেদনখনত অন্যান্য বিষয়ৰ লগতে কোৱা হৈছিল যে অসম বন বিনীয়ম, ১৮৯১ ৰ ৩(৪)(ক) ধাৰাত দিয়া 'বনজ সামগ্ৰী'ৰ সংজ্ঞাত 'timber' শব্দটো অন্তৰ্ভুক্ত আৰু উক্ত বিনিয়মৰ ৩(৩) ধাৰাত 'timber' মানে গছকো বুজোৱা হৈছে- যিবোৰ গছ হাওলি পৰিছে বা কটা হৈছে আৰু সকলো কাঠৰ লগতে কোনো উদ্দেশ্যে কটা, ৰূপান্তৰিত কৰা বা ফুটা কৰা কাঠক বুজোৱা হৈছে। কৰ্তৃত্বপ্ৰাপ্ত বন বিষয়াৰ মতে, যিহেতু খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে কাঠৰ ফ্ৰেমবোৰ খিৰিকী বা ভেণ্টিলেচন ফ্ৰেম বনোৱাৰ উদ্দেশ্যে কাঠৰ পৰা কাটি বা কাঠৰ ৰূপান্তৰ কৰি তৈয়াৰ কৰা হৈছিল, সেয়েহে সেইখিনি "বনজ সামগ্ৰী" হিচাপে গণ্য কৰা হ'ব। সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭ গোচৰত প্ৰদান কৰা উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্ত, যাৰ ওপৰত

আপীলকাৰীসকলে নিৰ্ভৰ কৰিছিল, তাৰে আধাৰত বিদ্বান একক বিচাৰপীঠে লেখ আবেদনক অনুমতি দিলে আৰু তলত দিয়া ধৰণে পৰ্যবেক্ষণ কৰিলে:

"১৭. খিৰিকী আৰু ভেন্টিলেটৰৰ "কাঠৰ ফ্ৰেম"ক "বনজ সামগ্ৰী" বুলি গণ্য কৰিব পাৰি নে নোৱাৰি, সেই প্ৰশ্নৰ উত্তৰ বিচাৰি মই 'কাঠ'ৰ সংজ্ঞালৈ লৈ যাও আৰু ধাৰা ৩(৩)ত কাঠৰ সংজ্ঞা হ'ল: কাঠ শব্দটোৱে গছ বুজায় আৰু এই শব্দটোৱে হাওলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো কাঠক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু যিবোৰ গছ প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ কটা (veneer) হৈছে।'

২২) 'বাঁহ' বা বেতৰ অৰ্থ যে সাধাৰণতে 'কাঠ' নহয়, তাৰ পটভূমিত 'কাঠ'ৰ সংজ্ঞালৈ উভতি যোৱা হওক। ৩(৩) ধাৰাত দিয়া আৰু ওপৰত উদ্‌ধৃত 'কাঠ'ৰ সংজ্ঞাটো সযতনে আৰু সুক্ষ্মভাবে পঢ়িলে দেখা যায় যে 'কাঠ' শব্দটোৰ সংজ্ঞা দুটা সুকীয়া ভাগত বিভক্ত হৈ আছে, যিবোৰ সংযুক্তভাৱে বুজিব নালাগে, পৃথকভাবে বুজিব লাগে। 'কাঠ' শব্দটোৰ সংজ্ঞাৰ প্ৰথম অংশটো হাওলি পৰা 'গছ' বা কটা গছ বুলি বুজিব লাগিব, আনহাতে কাঠ শব্দটোৰ সংজ্ঞাৰ দ্বিতীয় অংশৰ অৰ্থ সকলো 'কাঠ' বুলি বুজিব লাগিব আৰু এই শব্দটোৱে হাউলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো গছক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি

প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ (veneer)কটা হৈছে। এই আদালৰৰ মতে 'কাঠৰ' শুদ্ধ বাখ্যাটো হ'ল যে এই শব্দটোৱে হাউলি পৰা গছ বা কাটি পেলোৱা গছৰ লগতে সকলো কাঠক বুজায় যাক কোনো উদ্দেশ্যে কটা বা বিশেষ আকৃতি প্ৰদান কৰা বা ফুটা কৰা হৈছে বা হোৱা নাই আৰু যিবোৰ গছ প্লাই বৰ্ড, ব্লক বোৰ্ড ইত্যাদি বনাবলৈ বা অইন কোনো উদ্দেশ্যে কাটি টুকুৰা কৰা হৈছে বা বিশেষ আকৃতিত কটা বা বাকলি গুচোৱা বা পাতলকৈ (veneer)কটা হৈছে।

২৩) ওপৰৰ কথাখিনিৰ পৰা যুক্তিসংগতভাৱে যিটো বুজা যায় সেয়া হ'ল 'কাঠ' শব্দটো, 'বাঁহ' বা 'বেত' শব্দটোৰ সৈতে সম্পৰ্কিত নহয়; সেয়েহে, ৩(৩)ধাৰাত 'Timber' শব্দটোৰ সংজ্ঞাত পোৱা 'কাঠ' শব্দটো বাঁহ বা বেতৰ সৈতে জড়িত নহ'ব, কেৱল 'গছ' শব্দটোৰ সাধাৰণ অৰ্থৰ সৈতেহে জড়িত হ'ব। এই দিশটো স্পষ্ট হৈ পৰে যেতিয়া কোনোবাই সুৰেশ লোহিয়া বনাম মহাৰাষ্ট্ৰ চৰকাৰ, (১৯৯৬) ১০ এছচিচি ৩৯৭ গোচৰৰ সিদ্ধান্তটো ভালদৰে পঢ়ে, যাৰ ওপৰত প্ৰতিপক্ষই নিৰ্ভৰ কৰিছে। সুৰেশ লোহিয়া (ওপৰত উল্লেখ কৰা) গোচৰত উচ্চতম ন্যায়ালয়ে নিৰ্ধাৰণ কৰিবলগীয়া হৈছিল যে ভাৰতীয় বন আইন, ১৯২৭ত 'Timber'ৰ সংজ্ঞাত উপলব্ধ 'কাঠ' শব্দটোত ৰুপান্তৰিত কৰা বাঁহ', যেনে, বেটী আৰু চেট্ৰি অন্তৰ্ভুক্ত হ'ব নেকি।

২৭) ওপৰৰ আলোচনাৰ পৰা যিটো বুজা যায় সেয়া হ'ল যে ধাৰা ৩(২)ত দিয়া 'গছ'ৰ সংজ্ঞাত তাল, বাঁহ, গছৰ মুঢ়া, ব্ৰাছউড আৰু বেত

অন্তৰ্ভুক্ত । কিন্তু 'কাঠ'ৰ সংজ্ঞাটো ৩(৩) ধাৰাত দিয়া অনুসৰি 'কাঠ' শব্দটো 'ৰুপান্তৰিত কৰা বেত' বা 'ৰুপান্তৰিত কৰা বাঁহ'ৰ সৈতে সম্পৰ্কিত নহ'ব। সেইবাবেই, 'ৰুপান্তৰিত কৰা বাঁহ' বা 'ৰুপান্তৰিত কৰা বেত', যেনে 'চেট্ৰি' আৰু 'বেট্ৰি'ক কাঠ বুলি গণ্য কৰা নহ'ব'; আনহাতে "কাঠ" শব্দটোৰ সংজ্ঞাত 'গছ' শব্দটোৰ অৰ্থ সাধাৰণতে 'গছ' বুলিলে যি বুজা যায় তাৰ লগতে 'ৰুপান্তৰিত কৰা কাঠ'ও হ'ব, যেনে খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেম।অলপ বেলেগকৈ ক'বলৈ গ'লে 'বেট্ৰি' আৰু 'চেট্ৰি', যিবোৰ ৰুপান্তৰিত কৰা বাঁহ আৰু বেত, সেইবোৰ ৩(৩) ধাৰাত দিয়া ধৰণে 'কাঠ'ৰ সংজ্ঞাৰ ভিতৰত নপৰিব; আনহাতে, সকলো ধৰণৰ কাঠ, কটা অৱস্থাতেই হওক বা কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে তৈয়াৰ কৰা অৱস্থাত থাকিলেও 'কাঠ' বুলি গণ্য কৰা হ'ব।

২৮) 'ৰুপান্তৰিত কৰা কাঠ' শব্দটোৱে বাঁহক সামৰি লোৱা নাই বাবে উচ্চতম ন্যায়ালয়ে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰটোত ৰায় দিছিল যে বাঁহক প্ৰাকৃতিক অৱস্থাত 'বনজ সামগ্ৰী' বুলি গণ্য কৰা হয়, কিন্তু যেতিয়া ইয়াক ৰুপান্তৰিত কৰা হয় বা মানুহৰ শ্ৰমৰ দ্বাৰা নতুন আৰু সুকীয়া সামগ্ৰীলৈ ৰূপান্তৰিত কৰা হয়, তেতিয়া ইয়াক 'বনজ সামগ্ৰী' হিচাপে শ্ৰেণীভুক্ত কৰিব নোৱাৰি। সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত কৰা সকলো পৰ্যবেক্ষণ আগতে উল্লেখ কৰা ধৰণে উচ্চতম ন্যায়ালয়ে লোৱা সিদ্ধান্তৰ পটভূমিত বুজিব লাগিব। গতিকে ক'ব নোৱাৰি যে 'কাঠ'ৰ পৰা মানুহৰ শ্ৰমৰ জৰিয়তে সৃষ্টি হোৱা প্ৰতিটো ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া সামগ্ৰীয়ে স্বয়ংক্ৰিয়ভাৱে 'গছ' হিচাপে নিজৰ শ্ৰেণীবিভাজন হেৰুৱাই পেলায়। যদি 'ৰুপান্তৰিত কৰা কাঠ'ক এক প্ৰকাৰৰ গছ হিচাপে

স্বীকৃতি দিয়া হয়, তেন্তে এই যুক্তিসংগত সিদ্ধান্ত এৰাই চলিব নোৱাৰি যে যেতিয়া 'কাঠ' কটা বা ৰুপান্তৰিত কৰা হয়, তেতিয়া ই 'ৰুপান্তৰিত কৰা কাঠ' হিচাপে গণ্য হয়। কিন্তু এই পৰিৱৰ্তনৰ পিছতো এই সামগ্ৰীটো ৩(৪)(ক) ধাৰাত উল্লেখ কৰা 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

২৯) মুঠতে ওপৰৰ আলোচনাৰ পৰা যিটো প্ৰতিফলিত হৈছে সেয়া হ'ল যে আনকি 'ৰুপান্তৰিত কৰা কাঠ', যেনে, খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেমও ৩(৪)(ক) ধাৰাৰ অৰ্থৰ ভিতৰত 'বনজ সামগ্ৰী' ৰ অন্তৰ্ভুক্ত। সেয়েহে প্ৰশ্ন উত্থাপিত বাহনখনে, স্বীকাৰ্য্যভাৱে, প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ অবিহনে 'বনজ সামগ্ৰী' কঢ়িয়াই নিয়া দেখা গ'ল কাৰণে ৩(৫) ধাৰাৰ অৰ্থৰ ভিতৰত এটা বন অপৰাধ সংঘটিত কৰা হৈছে আৰু যিহেতু বাহনখন বন অপৰাধ সংঘটিত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল আৰু বাহনখনৰ মালিক অৰ্থাৎ প্ৰতিপক্ষৰ ১ নম্বৰ সাক্ষীয়ে প্ৰমাণ কৰাত ব্যৰ্থ হৈছিল যে তেওঁৰ বাহনখন কোনো বন অপৰাধ সংঘটিত কৰাত ব্যৱহাৰ নকৰাৰ বাবে তেঁও সকলো যুক্তিসংগত আৰু যথাযথ সাৱধানতা অৱলম্বন কৰিছিল, গতিকে বাহনখন বাজেয়াপ্ত কৰিব পাৰি আৰু সঠিকভাবেই বাহনখন বাজেয়াপ্ত কৰা হৈছে। এইদৰে চালে স্পষ্ট হয় যে বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙে গৃহীত কৰা বিবাদিত আপীল আদেশ আইনৰ বিপৰীত আৰু ইয়াক বাহাল ৰাখিব নোৱাৰি।

৪) বিদ্বান একক বিচাৰপীঠৰ সিদ্ধান্ত যে খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেম যিবোৰ 'ৰূপান্তৰিত কাঠ' আৰু 'বনজ সামগ্ৰী', এই যুক্তিৰ ওপৰত ভিত্তি কৰি কৰা হৈছে যে সকলো কাঠৰ লগতে যিকোনো উদ্দেশ্যৰ বাবে ৰূপান্তৰিত কৰা কাঠ বা ফুটা কৰা কাঠ, ৩(৩) ধাৰাত দিয়া 'কাঠ'ৰ

সংজ্ঞা আৰু অসম বন বিনিয়ম, ১৮৯১ৰ ৩(৪)(ক) ধাৰাৰ অধীনত 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ দ্বাৰা সামৰি লোৱা হ'ব।

৫) একক বিজ্ঞ বিচাৰপীঠে আৰু কৈছে যে যদি 'ৰুপান্তৰিত কৰা কাঠ'ক এক প্ৰকাৰৰ গছ হিচাপে স্বীকৃতি দিয়া হয়, তেন্তে এই যুক্তিসংগত সিদ্ধান্ত এৰাই চলিব নোৱাৰি যে যেতিয়া 'কাঠ' কটা বা ৰুপান্তৰিত কৰা হয়, তেতিয়া ই 'ৰুপান্তৰিত কৰা কাঠ' হিচাপে গণ্য হয়। কিন্তু এই পৰিৱৰ্তনৰ পিছতো এই সামগ্ৰীটোক গছ হিচাপেই গণ্য কৰা হ'ব আৰু এই সামগ্ৰী ৩(৪)(ক)ধাৰাত উল্লেখ কৰা 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

৬) একক বিজ্ঞ বিচাৰপীঠে মাননীয় উচ্চতম ন্যায়ালয়ে ৰায় দান কৰা সুৰেশ লোহিয়া গোচৰ (উপৰোক্ত), যত আলোচনা কৰা হৈছিল এই বিষয়ে যে ভাৰতীয় বন আইন, ১৯২৭ ৰ পৰিসৰৰ অধীনত 'ৰূপান্তৰিত বাঁহ' বা 'বাঁহৰ ঢাৰি' বনজ সামগ্ৰী হয় নেকি, তাৰে উল্লেখ কৰি কৈছে যে দ্বিতীয় খণ্ডত থকা 'timber' শব্দটোৰ সংজ্ঞা অনুসৰি 'কাঠ' শব্দটোৰ সৈতে 'বাঁহ' বা 'বেত' সম্পৰ্কীয় নহয় যাৰ বাবে ' ৰূপান্তৰিত বাঁহ' বা 'ৰূপান্তৰিত বেত'ক 'কাঠ' বুলি গণ্য কৰা নহ'ব, আনহাতে গছ শব্দটোৱে, ( timber ৰ সংজ্ঞা মতেও), সাধাৰণতে বুজাৰ দৰে সকলো গছকে সামৰি লোৱাৰ উপৰিও ৰূপান্তৰিত কাঠ যেনে খিৰিকী আৰু ভেন্তিলেটৰৰ কাঠৰ ফ্ৰেমও বুজায়। বিদ্বান একক বিচাৰপীঠে এইটোও ৰায় দিছিল যে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত কৰা সকলো পৰ্যবেক্ষণ উক্ত গোচৰটোত উচ্চতম ন্যায়ালয়ে লোৱা সিদ্ধান্তৰ পটভূমিত বাখ্যা কৰিব লাগিব আৰু বিদ্বান একক বিচাৰপীঠে এইটোও কয় যে যেতিয়াই 'কাঠ'ৰ

পৰা মানুহৰ শ্ৰমৰ দ্বাৰা ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া সামগ্ৰী এটা সৃষ্টি হ'ব, তেতিয়াই ই গছ হিচাপে নিজৰ শ্ৰেণীবিভাজন হেৰুৱাব।

৭) আমি দুয়োপক্ষৰ বিজ্ঞ অধিবক্তাসকলৰ যুক্তি শুনিলো। আপীলকাৰি সকলৰ হৈ যুক্তি প্ৰদৰ্শন কৰা বিজ্ঞ অধিবক্তাই, সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে যি ৰায় প্ৰদান কৰিছে, তাৰ ওপৰত ভিত্তি কৰি কৈছে যে উক্ত কাঠৰ ফ্ৰেমবোৰ কাঠ বা গছেৰে নিৰ্মিত সামগ্ৰী হোৱাৰ বাবে ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া পৰিচয় লাভ কৰিছে আৰু এইবোৰক 'বনজ সামগ্ৰী' বুলি গণ্য কৰিব নোৱাৰি।

৮) সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে বাঁহ সামগ্ৰিকভাবে 'বনজ সামগ্ৰী' হ'লেও যদি মানৱ শ্ৰমৰ প্ৰয়োগ কৰি কোনো এক ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া সামগ্ৰী বাঁহৰ পৰা সৃষ্টি হয়, তেন্তে সেই বস্তু বা সামগ্ৰীক 'বনজ সামগ্ৰী' বুলি গণ্য কৰা নহব। 'বনজ সামগ্ৰী'ৰ সংজ্ঞাত সুকীয়া চৰিত্ৰ থকা বনজ সামগ্ৰীৰ পৰা পৃথক বস্তু বা সামগ্ৰী অন্তৰ্ভুক্ত নহ'ব বুলিও কোৱা হৈছিল আৰু সেই অনুসৰি বাণিজ্যিক জগতত বাঁহৰ ঢাৰি বাঁহৰ পৰা পৃথক আৰু ইয়াক 'বনজ সামগ্ৰী' হিচাপে গণ্য কৰিব নোৱাৰি বুলি কোৱা হৈছিল।

৯) মন কৰিবলগীয়া যে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে ভাৰতীয় বন আইন, ১৯২৭, ত সংজ্ঞায়িত কৰা ধৰণে 'বনজ সামগ্ৰী'ৰ ব্যাখ্যা কৰিছিল আৰু 'কাঠ' আৰু 'গছ'ৰ সংজ্ঞা অসম বন নিয়ন্ত্ৰণ, ১৮৯১ৰ অধীনত একেধৰণে দিয়া হৈছে। উক্ত গোচৰটোত উচ্চতম ন্যায়ালয়ে সিদ্ধান্ত লৈছিল যে ভাৰতীয় বন আইন, ১৯২৭ৰ অৰ্থৰ পৰিসৰৰ ভিতৰত বাঁহৰ পৰা বনোৱা বাঁহৰ ঢাৰিক 'বনজ সামগ্ৰী' বুলি গণ্য কৰা

নহ’ব এই কথা লক্ষ্য কৰি যে বাণিজ্যিকভাৱে নতুন আৰু সুকীয়া চৰিত্ৰৰ সামগ্ৰী এটা বনোৱা হৈছে।

১০) উচ্চতম ন্যায়ালয়ে সুৰেশ লোহিয়াৰ গোচৰত (উপৰোক্ত) এই বিষয়টো মূলতঃ তিনিটা দৃষ্টিকোণৰ পৰা বিবেচনা কৰিছিল। ভাৰতীয় বন আইন, ১৯২৭ৰ অধীনত ‘কাঠ’ শব্দটোক তলত দিয়া ধৰণে সংজ্ঞায়িত কৰা হৈছে:

"২. (৬) "‘কাঠ’ শব্দটোৱে হাওলি পৰা গছ বা কাটি পেলোৱা গছ আৰু সকলো কাঠৰ ভিতৰত কোনো উদ্দেশ্যে কটা বা ৰূপান্তৰিত কৰা বা ফুটা কৰা কাঠক সামৰি লয়।” (গুৰুত্ব প্ৰদান কৰা হৈছে)

১১) উল্লেখ কৰিব পাৰি যে অসম বন বিনিয়মত দিয়া ‘কাঠ’ৰ সংজ্ঞাত সংযোগী শব্দ ''আৰু'' ৰ পৰিৱৰ্তে বিচ্ছেদাত্মক শব্দ ''বা'' ব্যৱহাৰ কৰা হৈছে।

১২) পূৰ্বতে উল্লেখ কৰা সংজ্ঞাটোৰ কথা উল্লেখ কৰি উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে ‘কাঠ’ৰ সংজ্ঞাৰ দ্বিতীয় অংশত ৰূপান্তৰিত কৰা বাঁহ অন্তৰ্ভুক্ত কৰা হোৱা নাই কাৰণ সেই অংশটো কাঠৰ সৈতে জড়িত, গছৰ সৈতে নহয়। গতিকে ইয়াৰ ফলস্বৰূপে ‘ৰূপান্তৰিত বাঁহ’ যিহেতু কাঠ নহয় সেয়েহে ইয়াক ‘কাঠ’ৰ সংজ্ঞাৰ দ্বাৰা সামৰি লোৱা নহ’ব আৰু সেয়েহে ‘ৰূপান্তৰিত বাঁহ’ ‘বনজ সামগ্ৰী’ নহয়, যদিও সামগ্ৰিকভাৱে বাঁহ ‘বনজ সামগ্ৰী’।

১৩) দ্বিতীয়তে, ‘বনজ সামগ্ৰী’ৰ সংজ্ঞাৰ, যিটো অসম বন বিনিয়মত একেদৰেই সংজ্ঞায়িত কৰা হৈছে, সেই সংজ্ঞাৰ কথা উল্লেখ কৰি উচ্চতম

ন্যায়ালয়ে ৰায় দিছিল যে 'বনজ সামগ্ৰী'ৰ সংজ্ঞাত যিটো কথা বাখ্যা কৰা হৈছে সেয়া হৈছে প্ৰাকৃতিকভাৱে হোৱা বা উৎপাদিত সামগ্ৰী আৰু মানুহৰ দ্বাৰা নিৰ্মিত সামগ্ৰী নহয়।

১৪) তৃতীয়তে, গুজৰাট উচ্চ ন্যায়ালয়ে ফাতেছাং গীম্বা ভাছাভা বনাম গুজৰাট চৰকাৰ, এআইআৰ ১৯৮৭ গুজ. ১, গোচৰত যি ৰায় প্ৰদান কৰা হৈছিল, সেই ৰায়দানক সমৰ্থন কৰি উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে সামগ্ৰিকভাৱে বাঁহ বনজ সামগ্ৰী হ'লেও, যদিহে ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া, ব্যৱসায়িক সমাজে সম্পূৰ্ণ বেলেগ বুলি জনা কোনো সামগ্ৰী মানৱ শ্ৰমৰ দ্বাৰা সৃষ্টি হয়, তেন্তে এনে এটা বস্তু আৰু সামগ্ৰীক বনজ সামগ্ৰী বুলি বিবেচনা কৰিব নোৱাৰি।

১৫) ফাতেছাং (উপৰোক্ত) গোচৰত গুজৰাট উচ্চ ন্যায়ালয়ে ৰায় দিছিল:

"১৩ এতিয়া, আইনখনৰ ২(৪) ধাৰাত দ্বাৰা সংজ্ঞায়িত 'বনজ সামগ্ৰী' অভিব্যক্তিটোৱে গছ আৰু পাত, ফুল আৰু ফল আৰু গছৰ আন সকলো অংশ বা গছৰ পৰা উৎপাদিত সামগ্ৰী অন্তৰ্ভুক্ত কৰে। গছ'ৰ সংজ্ঞা দিয়া ২(৭) ধাৰাত বাঁহ অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে বাঁহ নিঃসন্দেহে বনজ সামগ্ৰী। টোপলা, পালা আৰু সুপদা নিঃসন্দেহে বাঁহৰ চিপছৰ পৰা প্ৰস্তুত কৰা হয় আৰু বাঁহ-বস্তু বুলি বৰ্ণনা কৰিব পাৰি, কিন্তু এনে সামগ্ৰী 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ ভিতৰত পৰেনে? বনজ সামগ্ৰীৰ সংজ্ঞাৰ বিভিন্ন দফাবোৰ ভালদৰে চালে স্পষ্ট হৈ পৰে যে ইয়াত প্ৰকৃতিৰ দ্বাৰা উৎপাদিত সকলো বস্তু অন্তৰ্ভুক্ত কৰা হৈছে যদিও বাঁহৰ চিপছৰ পৰা তৈয়াৰী মানৱসৃষ্ট সামগ্ৰী যেনে টোপলা, পালা, চুপদা আদি অন্তৰ্ভুক্ত কৰা হোৱা নাই। এইটো সঁচা যে যদি সামগ্ৰিকভাৱে বাঁহ বনজ সামগ্ৰী হয়, তেন্তে চিপছকে

ধৰি ইয়াৰ প্ৰতিটো অংশ সেই সংজ্ঞাৰ ভিতৰত পৰিব কিন্তু যদিহে চিপছবোৰ প্ৰকৃতিৰ 'উৎপাদন' নহে মানুহৰ শ্ৰমৰ দ্বাৰা সৃষ্টি হোৱা 'উৎপাদন'ত একত্ৰিত হয় আৰু যদি এনেদৰে নিৰ্মিত সামগ্ৰীটো বাণিজ্যিকভাৱে নতুন আৰু সুকীয়া তথা এইটোক ব্যৱসায়িক সমাজে এটা সুকীয়া চৰিত্ৰ থকা সম্পূৰ্ণ বেলেগ পণ্য হিচাপে জানে, তেন্তে এনে বস্তু বা সামগ্ৰীক পুনৰাই বনজ সামগ্ৰী বুলি গণ্য কৰিব নোৱাৰি যেনে: বাঁহ-পাল্পৰ পৰা উৎপাদিত কাগজ বা কাঠৰ পৰা তৈয়াৰী আচবাব। গতিকে বাঁহ গছ নিশ্চিতভাৱে 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ দফা (খ)ৰ ভিতৰত অন্তৰ্ভুক্ত হ'ব, কিন্তু বাঁহৰ টুকুৰাৰে তৈয়াৰী টপলা, চুপদা আৰু পালা বনজ সামগ্ৰীৰ সংজ্ঞাৰ ভিতৰত অন্তৰ্ভুক্ত নহ'ব।"

১৬) এইদৰে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল:

"৬. আমি বিপক্ষৰ যুক্তিবোৰ ভালদৰে বিবেচনা কৰিছো। আমাৰ বোধেৰে উচ্চ ন্যায়ালয়ে 'কাঠ'ৰ সংজ্ঞাৰ উল্লেখ কৰি ওপৰত উল্লেখ কৰা মতামত লোৱাত ভুল কৰিছিল কাৰণ আমি শ্ৰী ভাটিয়াৰ সৈতে একমত যে সংজ্ঞাটোৰ দ্বিতীয় অংশত ৰূপান্তৰিত কৰা বাঁহ অন্তৰ্ভুক্ত কৰা হোৱা নাই কাৰণ সেই অংশটো কাঠৰ সৈতেহে জড়িত, গছৰ সৈতে নহয়। আমি তেনেকৈ কৈছো কাৰণ গছৰ সংজ্ঞাত আনকি বেতকো অন্তৰ্ভুক্ত কৰা হৈছে আৰু বেতক, গছ হলেও, কাঠ হিচাপে গণ্য কৰিব নোৱাৰি। কিন্তু তাৰ পিছত উচ্চ ন্যায়ালয়ে উপ-দফা (i) (পূৰ্বতে উল্লেখ কৰা)ৰ কথাও উল্লেখ কৰিছে যিয়ে গছৰ উৎপাদিত সামগ্ৰীৰ কথাও কয়। এই সন্দৰ্ভত আপীলকাৰীৰ অধিবক্তাই কৈছে যে যেতিয়া উপ-দফা (i) সামগ্ৰিকভাৱে

পঢ়া হয়, তেতিয়া স্পষ্টকৈ বুজিব পাৰি যে কেৱল গছৰ এনে উৎপাদনৰ কথা কোৱা হৈছে যিটো প্ৰাকৃতিক বৃদ্ধি বা উৎপাদন যেনে ফুল আৰু ফল। এইটো যুক্তিসংগত কাৰণ বনজ সামগ্ৰীৰ সংজ্ঞা সম্পূৰ্ণৰূপে পঢ়িলে দেখা যাব যে সংজ্ঞাটোত প্ৰকৃতিৰ উপহাৰ যেনে কয়লা, মহুৱা ফুল বা খনিজ পদাৰ্থ অন্তৰ্ভুক্ত কৰা হৈছে। উপ-দফা (iii)ত বন্য প্ৰাণীৰ কথা কোৱা হৈছে আৰু সেয়াও ঈশ্বৰৰ উপহাৰ, মানৱসৃষ্ট নহয়।যত আইনসভাই মানৱ শ্ৰমেৰে সৃষ্টি কৰা বস্তু অন্তৰ্ভুক্ত কৰিব বিচাৰিছিল, তেওঁলোকে আইনত স্পষ্টভাৱে উল্লেখ কৰিছিল, উপ-দফা iv ত খনিজ পদাৰ্থৰ কথা উল্লেখ কৰাৰ উপৰিও ইয়াত "খনি বা শিলৰ কুৰেৰীৰ সকলো সামগ্ৰী"ও অন্তৰ্ভুক্ত কৰা হৈছে।

১৭) আইনসভাই "বনজ সামগ্ৰী"ৰ সংজ্ঞা দিয়াৰ পিছত সংজ্ঞাটোত নথকা কিবা এটা আমাৰ বাবে বাখ্যা কৰাটো অনুমোদিত নহয়। আমি এই কথাটোৰ প্ৰতি সচেতন যে বনজ সম্পদ সংৰক্ষণ অতি প্ৰয়োজনীয় কিন্তু আমি এই ক্ষেত্ৰত এখন নতুন আইন প্ৰণয়ন কৰিব নোৱাৰো। নতুন আইন সৃষ্টিৰ পৰিৱৰ্তে আদালতৰ কাম হ'ল সমস্যাসমূহ সমাধান কৰা। সংজ্ঞাটোত যদি কিবা অভাৱ আছে, তেন্তে আইনসভাই সেইখিনি কথাৰ যত্ন লোৱাটো প্ৰয়োজনীয়।

১৮) আমি এইটোও কব পাৰো যে আমাৰ মতে গুজৰাট উচ্চ ন্যায়ালয়ে ফাতেছাং গোচৰত যি মত পোষণ কৰিছিল সেইয়া শুদ্ধ, কাৰণ সামগ্ৰিকভাৱে বাঁহ বনজ সামগ্ৰী হ'লেও, যদিহে ব্যৱসায়িকভাৱে নতুন আৰু সুকীয়া, ব্যৱসায়িক সমাজে সম্পূৰ্ণ বেলেগ বুলি জনা, কোনো সামগ্ৰী মানৱ শ্ৰমৰ দ্বাৰা সৃষ্টি হয়, তেন্তে এনে এটা বস্তু আৰু সামগ্ৰীক

বনজ সামগ্ৰী বুলি পুনৰাই বিবেচনা কৰিব নোৱাৰি। এই অভিব্যক্তিটোৰ সংজ্ঞাই এইটো নিসন্দেহে প্ৰমাণ কৰে যে ইয়াত এনে কোনো সামগ্ৰী বা বস্তু অন্তৰ্ভুক্ত নহ'ব যিটো বনজ উৎপাদিত সামগ্ৰীৰ পৰা সম্পূৰ্ণ পৃথক আৰু যিটোৰ এটা সুকীয়া চৰিত্ৰ আছে। ক'ব পাৰি যে য'ত কোনো শব্দ বা অভিব্যক্তি আইনসভাই সংজ্ঞায়িত কৰে, তেনে ক্ষেত্ৰত আদালতে সেই সংজ্ঞাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব; কিন্তু এই সংজ্ঞাৰ দ্বাৰা সাধাৰণভাবে যি বুজি পোৱা যায়, সেইয়া এই ক্ষেত্ৰত নিৰ্ণায়ক হ'ব নোৱাৰে।গতিকে, ষ্ট্ৰাউডৰ ন্যায়িক অভিধানত 'উৎপাদন' সম্পৰ্কে যি উল্লেখ কৰা হৈছে সেইয়া নিৰ্ণায়ক হ'ব নোৱাৰে।গতিকে য'ত বাঁহৰ পৰা পোৱা সামগ্ৰী এটা ব্যৱসায়িকভাৱে ইয়াৰ পৰা পৃথক আৰু সাধাৰণ ভাষাত এটা সুকীয়া সামগ্ৰী হিচাপে গণ্য কৰা হয়, তেনে ক্ষেত্ৰত আইনৰ ২(৪)ধাৰাত সংজ্ঞায়িত কৰা "বনজ সামগ্ৰী" অভিব্যক্তিটোৰ ভিতৰত এইখিনিক সামৰি লোৱা নহ'ব। বাঁহৰ ঢ়াৰি এখনক যে বাণিজ্যিক জগতত বাঁহৰ পৰা পৃথক সামগ্ৰী হিচাপে গণ্য কৰা হয় সেই বিষয়ে আমাৰ আগত বিতৰ্ক হোৱা নাই আৰু সেইটোৱেই সঠিক।

১৯) ওপৰৰ সকলোবোৰ বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি আমি ধৰি লৈছো যে বাঁহৰ ঢ়াৰি আইনখনৰ দৃষ্টিত বনজ সামগ্ৰী নহয় আৰু সেয়েহে এই আপীলৰ অনুমতি দি উচ্চ ন্যায়ালয়ৰ বিবাদিত ৰায়দানক বাতিল কৰি কওঁ যে বন সংৰক্ষকে যি বাজেয়াপ্ত কৰাৰ আদেশ দিছিল সেইয়া আইন অনুযায়ী গ্ৰাহ্য নহয়।"

২০) আমাৰ মতে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰত পূৰ্বতে উল্লেখ কৰা নীতি বৰ্তমানৰ গোচৰতো প্ৰযোজ্য হ'ব। আমি আৰু অধিক আলোচনা

কৰাৰ আগতে এইটো নিশ্চিত কৰিব লাগিব যে অনুমোদিত বন বিষয়াই প্ৰকৃততে কি জব্দ কৰিছিল। গোচৰৰ নথিত উপলব্ধ সমলে দেখুৱাই যে (য'ত এই লেখ আবেদনত প্ৰতিপক্ষৰ জবাবী শপতনামা অন্তৰ্ভুক্ত কৰা হৈছে) তলত উল্লেখ কৰা কাঠৰ সামগ্ৰীসমূহ জব্দ কৰা হৈছে:

১. ৫' × ৭' – জোখৰ এখন খিৰিকী

২. ৫' × ৫' – জোখৰ এখন খিৰিকী

৩. ৪' × ৩' – জোখৰ দুখন খিৰিকী

৪. ৫' × ৩' – জোখৰ এখন খিৰিকী

৫. ৭' × ১ ১/২'' – জোখৰ এখন ভেন্টিলেটৰ

৬. ৫' × ১ ১/২'' – জোখৰ এখন ভেন্টিলেটৰ

৭. ৪' × ১ ১/২'' – জোখৰ তিনিখন ভেন্টিলেটৰ

৮) ডাইনিং টেবুল – এখন

২১) এইদৰে যিবোৰ জব্দ কৰা হৈছিল সেয়া কেৱল পৃথকভাৱে থকা 'ৰূপান্তৰিত কাঠ' নাছিল, বৰঞ্চ একত্ৰিত কাঠৰ ফ্ৰেম আছিল। উক্ত জব্দ কৰা সামগ্ৰীসমূহ কাঠৰ পৰা কাটি আৰু মানৱ শ্ৰম প্ৰয়োগৰ দ্বাৰা ৰূপান্তৰিত কৰি খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে ফ্ৰেমৰ আকৃতিত নিৰ্দিষ্ট আকৃতি দিয়া হৈছে। গছ বা কাঠৰ পৰা এটা নতুন সামগ্ৰী তৈয়াৰ কৰা হৈছে যিটো অৰণ্যত উপলব্ধ নহয়। মানৱ শ্ৰমৰ প্ৰয়োগৰ দ্বাৰা গছ বা কাঠৰ নিৰ্দিষ্ট পৰিৱৰ্তন হৈ ব্যৱসায়িক মূল্য সম্বলিত নতুন সামগ্ৰীত পৰিণত হৈছে। এক নতুন পৰিচয়ৰ বিকাশ ঘটিছে। খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে

কাঠৰ ফ্ৰেমবোৰ যদিও কাঠ বা গছৰ পৰা আহৰণ কৰা হৈছে, তথাপিও নতুন বৈশিষ্ট্য লাভ কৰিছে। অৰ্থাৎ এইবোৰ সামগ্ৰী হৈছে খিৰিকী আৰু ভেণ্টিলেটৰৰ বাবে কাঠেৰে নিৰ্মিত ফ্ৰেম যিবোৰক বাণিজ্যিক ভাষাত সুকীয়া চৰিত্ৰ আৰু বৈশিষ্ট্য থকা পদাৰ্থ হিচাপে জনা যায়ক আৰু এইবোৰ সাধাৰণ গছ বা কাঠ বা আন যিকোনো ৰুপান্তৰিত কাঠৰ পৰা পৃথক আৰু সেইবাবেই এইবোৰক 'বনজ সামগ্ৰী' হিচাপে গণ্য কৰিব নোৱাৰি।

২২) বিদ্বান একক বিচাৰপীঠে কয় যে 'কাঠ'ৰ সংজ্ঞাত সাধাৰণতে বুজাৰ দৰে 'গছে'ই নহয়, কটা বা 'ৰুপান্তৰিত' কৰা সকলো কাঠকো অন্তৰ্ভুক্ত কৰা হৈছে আৰু যিহেতু খিৰিকী আৰু ভেণ্টিলেটৰৰ কাঠৰ ফ্ৰেমবোৰো 'ৰুপান্তৰিত কাঠ', সেয়েহে বাণিজ্যিকভাৱে নতুন সুকীয়া সামগ্ৰীৰ সৃষ্টি হলেও এইবোৰ 'বনজ সামগ্ৰী'ৰ সংজ্ঞাৰ দ্বাৰা সামৰি লোৱা হ'ব। বিজ্ঞ একক বিচাৰপীঠৰ যুক্তিত আমি একমত নহয়। এইটো সঁচা যে অসম বন বিনিয়ম, ১৮৯১ ৰ দ্বিতীয় অংশত দিয়া 'কাঠ'ৰ সংজ্ঞাই 'ৰুপান্তৰিত কাঠ'কে ধৰি সকলো কাঠকে সামৰি লয় আৰু সেয়েহে ই এক বনজ সামগ্ৰী, কিন্তু প্ৰতিটো 'ৰুপান্তৰিত কাঠ' বনজ উৎপাদিত সামগ্ৰী হোৱাৰ প্ৰয়োজন নাই, যদিহে সেইটোৱে মানৱ শ্ৰমৰ প্ৰয়োগৰ দ্বাৰা অধিক পৰিৱৰ্তন হৈ নতুন আৰু সুকীয়া পৰিচয় পাইছে। যদি কাঠবোৰ কেৱল খিৰিকীৰ ফ্ৰেম বা ভেণ্টিলেটৰৰ ফ্ৰেম নিৰ্মাণৰ উদ্দেশ্যে ৰুপান্তৰিত কৰা হয় আৰু খিৰিকী বা ভেণ্টিলেটৰৰ ফ্ৰেমৰ নতুন আকৃতি নোলোৱাকৈয়েহে 'ৰুপান্তৰিত কাঠ'ৰ পৰ্যায়তে থাকে, তেন্তে হয়তো এই 'ৰুপান্তৰিত কাঠ'বোৰ অসম বন বিনিয়ম, ১৮৯১ৰ ধাৰা ৩(৪)(ক)ৰ অৰ্থৰ ভিতৰত 'বনজ সামগ্ৰী' হিচাপে গণ্য হ'ব। কিন্তু এই 'ৰুপান্তৰিত কাঠ' বোৰ

এবাৰ একত্ৰিত কৰাৰ পিছত খিৰিকীৰ ফ্ৰেম বা ভেণ্টিলেটৰৰ ফ্ৰেমৰ আকৃতি লয়, তেতিয়া আৰু এইবোৰ কেৱল 'ৰুপান্তৰিত কাঠ'ৰ পৰ্য্যায়তে নাথাকে কাৰণ এইবোৰে খিৰিকীৰ ফ্ৰেম বা ভেণ্টিলেটৰৰ ফ্ৰেমৰ দৰে অতিৰিক্ত আৰু নতুন বাণিজ্যিক পৰিচয় ইতিমধ্যে লাভ কৰিছে।

২৩) জব্দ কৰা কাঠৰ সামগ্ৰীসমূহ, যিবোৰ ৰুপান্তৰিত কৰা হৈছিল, কেৱল কাঠৰ টুকুৰা বা গছৰ মুঢ়া নাছিল বৰঞ্চ ৰুপান্তৰিত কাঠ আছিল যিবোৰ পৰৱৰ্তী সময়ত একত্ৰিত কৰাৰ বাবে খিৰিকী আৰু ভেণ্টিলেটৰৰ ফ্ৰেমৰ আকৃতি লৈছিল আৰু নতুন ব্যৱসায়িক পৰিচয়ৰ সৈতে এক সুকীয়া ৰূপ পাইছিল। অৰ্থাৎ, জব্দ কৰা সামগ্ৰী, যিবোৰ নতুন অতিৰিক্ত বৈশিষ্ট্যৰে সম্বৃদ্ধ হোৱা বাবে 'ৰুপান্তৰিত কাঠ'ৰ পৰ্য্যায়ত নাথাকে আৰু নতুন সুকীয়া সামগ্ৰীলৈ ৰূপান্তৰিত হয়, সেইবোৰক 'বনজ সামগ্ৰী' হিচাপে গণ্য কৰিব নোৱাৰি।

২৪) আমাৰ মতে সুৰেশ লোহিয়া (উপৰোক্ত) গোচৰৰ সিদ্ধান্তৰ পটভুমিত নিৰ্ণায়ক কাৰক হ'ব যে যদি কোনো 'বনজ সামগ্ৰীয়ে' মানৱ শ্ৰমৰ প্ৰয়োগত সুকীয়া বাণিজ্যিক পৰিচয়ৰ সৈতে নতুন ৰূপ বা আকৃতি লাভ কৰে আৰু মানব শ্ৰম প্ৰয়োগ হোৱা হেতুকে, এই সামগ্ৰীয়ে যদি এক নতুন আৰু সুকীয়া পৰিচয় আৰু ৰুপ লাভ কৰে, তেন্তে অসম বন বিনিয়ম, ১৮৯১ৰ ৩ (৪) (ক) ধাৰাৰ অধিনত এই সামগ্ৰীক পুনৰাই বনজ সামগ্ৰী হিচাপে গণ্য কৰা নহব। গতিকে এই আবেদন মঞ্জুৰ কৰা হ'ল। সেই অনুসৰি, ১৮৫৩/২০০৭ নং লেখ আবেদন (দেৱানী)ত বিদ্বান একক বিচাৰপীঠে ১.২.২০০৮ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশত আমি হস্তক্ষেপ কৰি সেই ৰায় আৰু আদেশ বাতিল কৰিলো। ফলস্বৰূপে

অনুমোদিত বন বিষয়াই ৪.১২.২০০৬ তাৰিখে দিয়া বাজেয়াপ্ত কৰাৰ আদেশো বাতিল কৰা হ’ল আৰু বিদ্বান সত্ৰ ন্যায়াধীশ, দৰঙে গৃহীত কৰা ২৮.৩.২০০7 তাৰিখৰ আদেশ ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে বাহাল ৰখা হ’ল।

২৫) পক্ষসমূহে নিজৰ নিজৰ খৰচ বহন কৰিব ।

অনুবাদক

মৃণাল কুমাৰ ভট্টাচাৰ্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়